অসম

কাজিৰঙাৰ বুকুৰ পৰা চিৰবিদায় কৃষ্ণাৰ, ৪৪ বছৰৰ কর্মজীৱনৰ অৱসান

১৯৮২ চনৰ পৰা কাজিৰঙাৰ বন সুৰক্ষাৰ কামত নিয়োজিত হাতী 'কৃষ্ণাৰ' মৃত্যু। ৫ নৱেম্বৰৰ সন্ধিয়া বাগৰীত শেষ নিশ্বাস ত্যাগ কৰা কৃষ্ণাৰ মৃত্যু

প্রকাশ: ৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২১



কাজিৰঙা, ৯ নৱেম্বৰ, ২০২৬:

কিছুমান বিদায় সঁচাকৈয়ে বৰ কষ্টকৰ। কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ বনকর্মীসকলৰ বাবে তেনে এক চিনাকি সংগী আছিল হাতীজনী ‘কৃষ্ণা’। দীর্ঘদিন ধৰি কাজিৰঙাৰ বন সুৰক্ষা আৰু বন্যপ্রাণী সংৰক্ষণৰ কামত নিয়োজিত হৈ থকা কৃষ্ণাৰ মৃত্যুত গভীৰ শোক প্রকাশ কৰিছে মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই।

১৯৮২ চনত কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত কর্তব্যত যোগদান কৰিছিল কৃষ্ণাই। কাজিৰঙা ৰেঞ্জৰ পৰা বাগৰি ৰেঞ্জলৈকে বিয়পি আছিল তাইৰ কর্মযাত্রা। দীর্ঘদিনীয়া এই যাত্রাত নিষ্ঠা, সাহস আৰু কর্তব্যপৰায়ণতাৰ পৰিচয়

দিয়া কৃষ্ণাই তিনিটা পোৱালিৰ মাতৃও হৈছিল।

প্ৰায় ২১ বছৰ পূৰ্বে সম্পূৰ্ণৰূপে দৃষ্টিশক্তি হেৰুৱাই সক্ৰিয় কৰ্তব্যৰ পৰা অৱসৰ ল'বলগীয়া হৈছিল তাই। কিন্তু অৱসৰৰ পিছতো কাজিৰঙাৰ সৈতে কৃষ্ণাৰ সম্পৰ্ক বিচ্ছিন্ন হোৱা নাছিল। বন বিভাগৰ কৰ্তৃপক্ষই নিয়মীয়াকৈ চিকিৎসা, যত্ন আৰু মৰমেৰে তাইৰ চোৱা-চিতা কৰি আহিছিল।

বন বিভাগৰ তথ্য আৰু সংবাদ প্ৰতিবেদন অনুসৰি, ২০২৬ চনৰ ৫ নৱেম্বৰৰ সন্ধিয়া কাজিৰঙাৰ পশ্চিম ৰেঞ্জৰ বাগৰীত শেষ নিশ্বাস ত্যাগ কৰে কৃষ্ণাই। ৬ নৱেম্বৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী পুনৰ্সংস্থাপন আৰু সংৰক্ষণ কেন্দ্ৰৰ (CWRC) পশু চিকিৎসকৰ দলে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। প্ৰাৰম্ভিক প্ৰতিবেদনত বাৰ্ধক্যজনিত হেপাটো-ৰেনেল ফেইলাৰক মৃত্যুৰ সম্ভাৱ্য কাৰণ বুলি উল্লেখ কৰা হৈছে।

কাজিৰঙাৰ বন সুৰক্ষাৰ যাত্ৰাত নীৰৱে অৱদান আগবঢ়োৱা কৃষ্ণাৰ বিদায়ে বনকৰ্মীসকলৰ মাজত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1480/kaziranga-elephant-krishna-dies-after-decades-of-service